দৈনিক
# অগ্ৰদূত



**যৌনৰোগৰ চিকিৎসা**

আপুনিও যৌনৰোগত যেনে— বীৰ্য্যদুৰ্বল, শীঘ্ৰপতন, স্বপ্নদোষ, লিংগশিথিলতা, পুৰুষত্বহীনতা আদি সমস্যাত ভুগি আছে নেকি? চিকিৎসা কৰি কৰি হতাশাত ভুগিছে নেকি? তেনেহ'লে চিন্তা নাই এশ শতাংশ গ্যেৰাণ্টিযুক্ত আয়ুৰ্বেদিক **NJB Mens health** কেপচুল আজিয়েই অৰ্ডাৰ কৰক আৰু হেৰাই যোৱা যৌৱন পুনৰ ঘূৰাই পাওক। হেজাৰ হেজাৰ ৰোগী এই ঔষধৰ দ্বাৰা উপকৃত। অৰ্ডাৰৰ বাবে যোগাযোগ কৰক— **70359-65192, 95772-94389/**

**আজিৰ দিনটো**



কিৰো ইয়ং
ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ২৫১২১০২, ৯৯৫৭১-১১১৭১

২৬ আঘোণ বুধবাৰ
১৩ ডিচেম্বৰ

**সূৰ্যোদয় ঃ** ঘঃ ৬।৬।১২ **সূৰ্যাস্ত ঃ** ঘঃ ৪।২৮।৫৪ **তিথি ঃ** কৃষ্ণা একাদশী দং ৫৮।২১।৩৯ শেৰাঘ ৫।২৬।৫২ **নক্ষত্ৰ ঃ** চিত্ৰা দং ৪৪।২।৫৯ ৰাঘ ১১।৪৩।২৪ **জন্মত ঃ** কন্যাৰাশি শূদ্ৰবৰ্ণ মতান্তৰে বৈশ্যবৰ্ণ বায়ুযোগ দেৱাৰিগণ বাঘৰ অস্থি অষ্টোত্তৰী বুধ আৰু বিংশোত্তৰী মংগলৰ দশা দিঘ ১১।২২।০ যোৱাত তুলাৰাশি বৈশ্যবৰ্ণ মতান্তৰে শূদ্ৰবৰ্ণ বৰুণযোগ ৰাঘ ১১।৪৩।২৪ যোৱাত দেৱগণ মহিষৰ অস্থি বিংশোত্তৰী ৰাহুৰ দশা। **আদ্যঋতু হ'লে ঃ** ১৫ দিনীয়া বেশ্যাযোগ। **মৰণত দোষ ঃ** নাই শেৰাঘ ৫।২৬।৫২ যোৱাত একপাদ। **যাত্ৰা ঃ** মধ্যম তিথ্যামৃতযোগ উত্তৰ-দক্ষিণে নাই ৰাঘ ১।৫০।৫২ যোৱাত সিদ্ধিযোগ মাত্ৰ উত্তৰ-দক্ষিণে নাই। **শুভকৰ্ম ঃ** বিবাহ ৰাঘ ৭।৩ যোৱাত ৯।৫৫ৰ ভিতৰত কৰ্কট সিংহ লগ্নত পুনৰ ৰাঘ ১।৪০ যোৱাত ২।৪৭ৰ ভিতৰত তুলা বৃশ্চিক লগ্নত সুতহিবুক যোগত জাতকৰ্ম, নামকৰণ, নতুন কাপোৰ লোৱা, দেৱতা গঠন, কিনা-বেচা, বেহা-বেহাৰ, গ্ৰহপূজা, শান্তিস্বস্ত্যয়ন, শিল্পকৰ্মাৰম্ভ, দোকান, নাট্যাৰম্ভ, ঔষধকৰণ আৰু সেৱন। **যোগিনী ঃ** অগ্নিকোণত শেৰাঘ ৫।২৬।৫২ যোৱাত নৈঋতকোণত। **ভক্ষ্যাভক্ষ্য ঃ** উৰহী শেৰাঘ ৫।২৬।৫২ যোৱাত পূৰৈশাক খোৱা নিষেধ।

*দিনটোৰ ৰাশিফল*

**মেষ ঃ** অনুকূল পৰিৱেশ। বিদ্যা-বুদ্ধিৰ চৰ্চা কৰোতাসকল উপকৃত হ'ব। কৰ্মস্থানত বাধা দেখা নাযায়। যাত্ৰাদি শুভ। কৰ্ম ব্যস্ততা বৃদ্ধি পাব।

**বৃষ ঃ** কৰ্মস্থানত ব্যস্ত থাকিব যদিও মনটো গুৰ থাকিব। মন হঠাৎ বেয়াও হ'ব পাৰে। বিদ্যাৰ্থীসকলৰ শুভ। সম্পত্তি লাভ কৰিব।

**মিথুন ঃ** প্ৰিয় বন্ধু-বান্ধৱৰ লগত সাক্ষাৎ লাভ। কৰ্মাদিত বেয়া দেখা নাযায়। ভ্ৰমণত কষ্ট পাব পাৰে। পৰাপক্ষত ভ্ৰমণ নকৰাই ভাল। ঘৰুৱা অশান্তি ঠিক কৰি ৰখাৰ যত্ন কৰক। ঠিকাত লাভবান হ'ব।

**কৰ্কট ঃ** ধন লাভ কৰিব। ঘৰুৱা দিশত ভাল ফল পোৱাৰ আশা কৰিব পাৰে। কৰ্মক্ষেত্ৰত উচ্চপদস্থ বিষয়াৰ স'তে মতান্তৰৰ সম্ভাৱনা। যাত্ৰা শুভ।

**সিংহ ঃ** আৰ্থিক চিন্তা থাকিব। প্ৰাপ্য ধন পোৱাৰ চেষ্টাত ব্যৰ্থ হ'ব পাৰে। ধৰ্মীয়ানুষ্ঠানত যোগদানৰ সম্ভাৱনা আছে। কৰ্মত অৱশ্যে খ্যাতি থাকিব। যাত্ৰা মধ্যম। আলহীৰ আগমন ঘটিব।

**কন্যা ঃ** সু-সংযোগ লাভৰ যোগ। আৰ্থিকত মজলীয়া ফল পাব। দায়িত্বপূৰ্ণ কৰ্মৰ ক্ষেত্ৰত সচেতন হওক। আজি আপুনি বিষ্ণু মন্দিৰত পূজা কৰিব। সম্পত্তি লাভ কৰিব।

**তুলা ঃ** কৰ্মাদিত হঠাৎ ব্যস্ততা বাঢ়িব। শাৰীৰিক দিশত ভালেই যাব। ব্যৱসায়ত উন্নতিৰ চেষ্টাত সফল হ'ব। পূব দিশে যাত্ৰা কৰিলে সুফল পাব।

**বৃশ্চিক ঃ** দূৰ যাত্ৰাদিত বাধা। পৰাপক্ষত অতিপাত পৰিশ্ৰম বৰ্জন কৰক। বিদ্যা, কৰ্মস্থান, দাম্পত্যত পূৰ্বানুৰূপ। আনন্দ লাভ।

**ধনু ঃ** ক্ৰমে দিনটো কিছু বাধাৰ মাজেদি পাৰ হ'ব লাগিব। খৰচ বৃদ্ধি পাব। কিছুমান দুৰ্ভাৱনাই দেখা দিব পাৰে। আজি ৰাতি নিৰামিষ আহাৰ গ্ৰহণ কৰিব।

**মকৰ ঃ** বিদ্যাৰ্থীৰ বাবে আজি দিনটো ভালেই দেখা যায়। কৰ্তব্যত আগ্ৰহ বাঢ়িব। ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰত গুৰুত্বৰ একো সিদ্ধান্ত নোলোৱাই ভাল। স্বাস্থ্যৰ প্ৰতি যত্ন ৰাখিব।

**কুম্ভ ঃ** কোনো কৰ্মত আনন্দ পাব। হঠাৎ অৰ্থ লাভৰ আশা কৰিব পাৰে। মাতৃৰ শৰীৰ বেয়া নহ'ব। আলহীৰ আগমন ঘটিব।

**মীন ঃ** পুৰণা বন্ধুৰ লগত সাক্ষাতৰ সম্ভাৱনা আছে। আৰ্থিকত মজলীয়া ফল পাব। বিদ্যাত মধ্যম। ব্যৱসায়ত উন্নতিৰ যোগ। যাত্ৰাদি শুভাশুভ। নাট্য-গীতত সুনাম।

**পদ খালী**

**Direct Posting** গুৱাহাটীৰ কোম্পানীত মেনেজাৰ, ছুপাৰভাইজাৰ, পেকেজিং আৰু ছিকিউৰিটি গাৰ্ড কাম কৰাৰ বাবে বহুত যুৱক-যুৱতীৰ প্ৰয়োজন। থকা-খোৱা **Free,** দৰমহা **30,000/-** টকালৈ।
**PERFECT JOBSITE**
**(Govt. Regd.)**
**Dispur, Ghy-06**
**98640-32529**
**97061-96532**

**RENTAL GENERATORS**

Available 15/25 KVA DG Sets on Lease/Monthly Rental basis for Commercial purposes. Agreement mandatory. Interested persons may kindly contact 8474008806 or 9435259558

**Affidavit**

I David Das, S/o-Late Surendra Nath Das, resident of Barengabari, Barpeta Road, Barpeta, Assam have change my name from Satyendra Chandra Das to David Das by an affidavit before Notary Barpeta on 21-05-2001.

**পদ খালী**

**প্ৰতিখন জিলাত স্থাপন হ'ব লগা প্ৰশিক্ষণ কেন্দ্ৰ পৰিচালনাৰ বাবে CENTRE MANAGER পদত প্ৰাৰ্থীৰ আৱশ্যক। অৰ্হতাঃ HS। স্থায়ী দৰমহা। যোগাযোগ- NCS Education, HN10, Tolstoy Marg, Near Bharat Petroleum, Hatigaon Road, Dispur, Guwahati-9435149039।**

**Short Re-Quotation Notice**

No. SMEJ/JMCH/031/2009/PT-II/3735 Date: 08/12/2017

Short quotations are re-invited for supply of various stationery items for JMCH, Jorhat on or before 11:00 AM of 22-12-2017. For details, please log on to **www.jorhatmedicalcollege.in**

Sd/-
**Principal cum Chief Superintendent**
Jorhat Medical College & Hospital, Jorhat

Janasanyog/C/5483/17

# হত্যাৰ প্ৰতিবাদত আলফাৰ বিৰুদ্ধে ৰাজপথলৈ

*এক পৃষ্ঠাৰ পৰা* ইত্যাদি শ্ল'গানেৰে আকাশ-বতাহ মুখৰিত কৰি দীৰ্ঘ সময় ধৰি ৫২ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰি ৰাখে। তিনিচুকীয়া জিলাৰ উপায়ুক্ত ঐনাম চৰণ কুমাৰ সিংহ, ডিব্ৰুগড়ৰ সাংসদ ৰামেশ্বৰ তেলী, ৰাজ্যিক বিজেপিৰ সভাপতি ৰঞ্জিত দাস, শদিয়াৰ বিধায়ক বলীন চেতিয়াই প্ৰতিবাদস্থলীত উপস্থিত হৈ আলফাৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ লোৱাৰ আশ্বাস দিয়াৰ লগতে ইতিমধ্যে যথেষ্টসংখ্যক আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীৰ জোৱান নিয়োগ কৰা বুলি সদৰী কৰে। প্ৰতিবাদস্থলীত বিভিন্ন সংগঠন তথা ৰাইজে এখন প্ৰতিবাদী সভাৰ আয়োজন কৰি নিহত পৰিয়াললৈ ক্ষতিপূৰণ আদায়ৰ দাবী জনোৱাৰ লগতে আলফাক ভৱিষ্যতে এনে নাৰকীয় ঘটনাৰ পৰা আঁতৰি থাকিবলৈ কঠোৰ সকীয়নি দিয়ে। এনে জঘন্য ঘটনাৰ প্ৰতিবাদত আছু, মটক যুৱ-ছাত্ৰ পৰিষদ, মৰাণ ছাত্ৰ সন্থা, এ জে ৱাই চি পি, এ জে ৱাই পি, তাই আহোম যুৱ পৰিষদে কাইলৈ ২৪ ঘণ্টীয়া তিনিচুকীয়া জিলা বন্ধ ঘোষণা কৰিছে। নিৰীহ লোকক এনেদৰে হত্যা কৰাটো কোনো কাৰণতে সহজভাৱে লোৱা নহ'ব বুলি সকীয়াই দি সদৌ মৰাণ ছাত্ৰ সন্থাই বৰ্তমান চৰকাৰখন নিৰীহ লোকক সুৰক্ষা দিয়াত বিফল হোৱা বুলি অভিযোগ কৰে। নিহত পিতা-পুত্ৰৰ বাবে এক কোটি টকাকৈ ক্ষতিপূৰণৰ লগতে পৰিয়ালটোৰ সম্পূৰ্ণ ভৰণ-পোষণৰ বাবে সদৌ মৰাণ ছাত্ৰ সন্থাই দাবী জনাইছে। হত্যাকাৰী যিয়েই নহওক কিয়, অতিশীঘ্ৰে কৰায়ত্ত কৰি চৰকাৰে কঠোৰ শাস্তি প্ৰদান কৰিব লাগে বুলি দাবী জনাইছে সংগঠনটোৱে।

ইপিনে, যোৱা নিশাৰ পৰাই অন্তেশ্বৰ মহন্ত আৰু কৰুণ মহন্তৰ বাসগৃহত স্থানীয় ৰাইজ ভৰি পৰাৰ লগতে হত্যাকাণ্ডৰ প্ৰতিবাদত আজি দিনৰ এক বজাৰ পৰা স্থানীয় ৰাইজে স্বতঃস্ফূৰ্তভাৱে নিহত পিতা-পুত্ৰৰ বাসগৃহৰ পৰা ৫২ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ সোণজান তিনিআলিলৈকে প্ৰতিবাদী সমদল উলিয়ায় আৰু প্ৰতিবাদী সভাৰ আয়োজন কৰে। সভাৰ অন্তত মুখ্যমন্ত্ৰীলৈ চাৰিটা দাবী জনাই স্মাৰকপত্ৰ প্ৰেৰণ কৰে ৰাইজে। হত্যাকাৰীক কৰায়ত্ত কৰি উচিত শাস্তি প্ৰদান কৰাৰ লগতে ভৱিষ্যতে অসমত যাতে এনে ধৰণৰ হত্যাকাণ্ডৰ পুনৰাবৃত্তি নঘটে তাৰ বাবে সুনিশ্চিত ব্যৱস্থা ল'বলৈ স্মাৰকপত্ৰৰ জৰিয়তে চৰকাৰক দাবী জনায়। তদুপৰি দুৰ্ভগীয়া পৰিয়ালৰ প্ৰতিগৰাকী ব্যক্তিৰ আজীৱন ভৰণ-পোষণৰ ব্যৱস্থা, দুৰ্ভগীয়া পৰিয়ালটোক এক কোটি টকাৰ এককালীন ক্ষতিপূৰণ আদায়ৰ দাবী জনায়। আনহাতে, বৃহত্তৰ ডিৱাক সীমান্তৱৰ্তী অঞ্চলবাসীৰ লগতে সমগ্ৰ অসমৰ খিলঞ্জীয়া জনসাধাৰণৰ নিৰাপত্তা নিশ্চিত কৰিবলৈ স্মাৰকযোগে প্ৰতিবাদী সভাই চৰকাৰক দাবী জনায়। সভাত স্থানীয় ৰাইজৰ লগতে বিভিন্ন জাতীয় দল-সংগঠন, স্থানীয় যুৱক সংঘ, গাঁওৰক্ষী বাহিনী আদিয়ে অংশগ্ৰহণ কৰে।

হত্যাকাণ্ডৰ ঘটনাক কাকপথাৰ আছুৰ লগতে বিভিন্ন জাতীয় দল-সংগঠনে তীব্ৰ ভাষাৰে সমালোচনা কৰাৰ লগতে গৰিহণা দিয়ে। উচিত তদন্ত আৰু দোষীক শাস্তিৰ দাবীত তথা হত্যাৰ ঘটনাৰ প্ৰতিবাদত আজি পুৱাৰ পৰা কাকপথাৰ টাউন সম্পূৰ্ণৰূপে বন্ধ ৰখা হয়। পিতা-পুত্ৰৰ মৃতদেহ আছুকে মুখ্য কৰি বিভিন্ন সংগঠন আৰু ৰাইজে এক বৃহৎ সমদলেৰে ৰূপাই ছাইডিঙৰ পৰা শিমলুগুৰিলৈ লৈ যায়। মৃতদেহৰ মৰণোত্তৰ পৰীক্ষাৰ পাছতে তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ কাৰ্যালয়ত আছু, সদৌ মৰাণ ছাত্ৰ সন্থা আদিয়ে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি সমদল কৰি মৃতদেহ নিজ গৃহলৈ লৈ যোৱাৰ বাটত ডুমডুমা আৰু কাকপথাৰ আঞ্চলিক ছাত্ৰ সন্থা কাৰ্যালয়ত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। কাকপথাৰ আঞ্চলিক ছাত্ৰ সন্থাৰ কাৰ্যালয়ত পাঁচদিনৰ বাবে আছুৰ পতাকা অৰ্ধনমিত কৰি ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। আনহাতে, প্ৰশাসনৰ উপস্থিতিত অন্ত্যেষ্টিক্ৰিয়া সমাপন কৰা হয়।

ইপিনে, কাইলৈৰ বন্ধলৈ তিনিচুকীয়া জিলা ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ তিনিচুকীয়া জিলা সমিতি, সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলন, অসম মৰাণ সভা, সদৌ তাই আহোম ছাত্ৰ সন্থা, মৰাণ জাতীয় মহিলা পৰিষদ, সদৌ মৰাণ কলা-সংস্কৃতি বিকাশ কেন্দ্ৰ, মৰাণ সাহিত্য সভা, মৰাণ জাতীয় শৈক্ষিক বিকাশ মঞ্চই সমৰ্থন আগবঢ়াইছে।

ইপিনে, নিজ গৃহতে পিতা-পুত্ৰক গুলীয়াই হত্যা কৰা ঘটনাক অসম প্ৰদেশ কংগ্ৰেছ সমিতিৰ সভাপতি ৰিপুন বৰাই তীব্ৰ গৰিহণা দি অনতিপলমে দোষীক কৰায়ত্ত কৰি কঠোৰ শাস্তি বিহিবলৈ চৰকাৰক দাবী জনাইছে। এক বিবৃতিত বৰাই কয় যে সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন বিজেপি চৰকাৰখনে ৰাজ্যখনৰ উগ্ৰপন্থা নিয়ন্ত্ৰণৰ ক্ষেত্ৰত লোৱা সোপাটিলা নীতিৰ বাবেই ৰাজ্যখনত এনেদৰে নিজ গৃহতে আহি উগ্ৰপন্থীয়ে নিৰীহ ব্যক্তিক গুলীয়াই হত্যা কৰিবলৈ সাহস কৰিছে বুলি মন্তব্য কৰে। অনবৰতে উৎসৱ, পূজা-পাৰ্বন অনুষ্ঠিত কৰাতে ব্যস্ত থকা চৰকাৰখনৰ আইন-শৃংখলা নিয়ন্ত্ৰণৰ বিষয়সমূহৰ প্ৰতি আওকণীয়া আৰু গুৰুত্বহীন মনোভাৱৰ বাবেই সম্প্ৰতি ৰাজ্যখনত এক নিৰাপত্তাহীন পৰিস্থিতিৰ সৃষ্টি হৈছে। কালিৰ ঘটনাই চৰকাৰখনৰ নিৰাপত্তা ব্যৱস্থাটোৰ ফোঁপোলা স্বৰূপ ৰাইজৰ আগত স্পষ্টভাৱে পৰিস্ফুট হৈছে বুলি বিবৃতিত কয় সভাপতি বৰাই।

ইপিনে, বিজেপিৰ ৰাজ্যিক সভাপতি ৰঞ্জিত কুমাৰ দাসে এক বিবৃতিত শান্তি আৰু বিকাশৰ পথেৰে আগবাঢ়ি যোৱা ৰাজ্যখনক পুনৰবাৰ অশান্তিৰ দিশলৈ ঠেলি দিয়াৰ অপচেষ্টা বুলি কালিৰ ঘটনাক অভিহিত কৰে। তেওঁ কয় যে অসম চৰকাৰে নিৰ্মাণ কৰা সুস্থ বাতাবৰণৰ বাবে সুদীৰ্ঘ কালৰ পাছত বিদেশী কোম্পানীবোৰে ৰাজ্যত বিনিয়োগৰ বাবে আগ্ৰহ প্ৰকাশ কৰাৰ সময়তে আলফা (স্বাধীন)ই সংঘটিত কৰা এই ঘটনা অতিশয় দুৰ্ভাগ্যজনক। ইপিনে, অসম ৰাজ্যিক জমিয়ত উলামাই হত্যাৰ ঘটনাক গৰিহণা দিছে।

আজি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আমগুৰিত এক অনুষ্ঠানত কয়, 'আমি কোনো উগ্ৰপন্থীক ৰেহাই নিদিওঁ।' ইতিমধ্যে কঠোৰ ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিয়াৰ উপৰি ভুক্তভোগী পৰিয়ালক পাঁচ লাখ টকাৰ সাহায্য আগবঢ়োৱাৰ বিষয়ে তেওঁ সদৰী কৰে।

# 'ওৰণি'ৰ আগন্তুক সংখ্যাটি শিক্ষয়িত্ৰীৰ জীৱনপঞ্জী সংখ্যাৰূপে প্ৰকাশৰ প্ৰস্তুতি

**গুৱাহাটী, ১২ ডিচেম্বৰ ঃ** এলি আহমেদ সম্পাদিত 'ওৰণি'ৰ আগন্তুক সংখ্যাটি শিক্ষয়িত্ৰীৰ জীৱনপঞ্জী সংখ্যাৰূপে (প্ৰাথমিক পৰ্যায়ৰ পৰা বিশ্ববিদ্যালয় পৰ্যায়লৈ) প্ৰকাশৰ যো-জা কৰা হৈছে। আশা কৰো শিক্ষয়িত্ৰীসকলে 'ওৰণি'লৈ তেওঁলোকৰ জীৱনপঞ্জী লেখি অহা ১০ জানুৱাৰী, ২০১৮ৰ ভিতৰত পঠিয়াবলৈ অনুৰোধ জনোৱা হ'ল। জ্যেষ্ঠা অথবা অবৰ্তমান শিক্ষয়িত্ৰীসকলৰ জীৱনপঞ্জী প্ৰকাশৰ বাবে যুগুতাই পঠিয়াবলৈ অনুৰোধ কৰা হ'ল। লেখা পঠিওৱাৰ ঠিকনা ঃ এলি আহমেদ, সম্পাদক 'ওৰণি', চৰকাৰী হাউচিং কল'নী, ইউনিট ঃ ৬, গৃহ নম্বৰ ঃ ২, কৃষ্ণনগৰ, চান্দমাৰি, গুৱাহাটী-৭৮১০০৩, ম'বাইল ঃ ৯৪৩৫১-০৪৮৮৪।

# পানেৰীত জ্যেষ্ঠ শিক্ষকৰ দ্বাৰা অষ্টম শ্ৰেণীৰ ছাত্ৰীক যৌন নিৰ্যাতনৰ অভিযোগ

## ২৪ ঘণ্টাৰ ভিতৰত গ্ৰেপ্তাৰৰ দাবী

অগ্ৰদূত বাৰ্তা

**টংলা, ১২ ডিচেম্বৰ ঃ** গুৰু-শিষ্যৰ পবিত্ৰ সম্পৰ্কত যেন কালিমা সানিলে ওদালগুৰি জিলাৰ পানেৰীৰ এজন জ্যেষ্ঠ শিক্ষকে। জিলাখনৰ পানেৰী আৰক্ষী থানাৰ অন্তৰ্গত ফুলকুছি মধ্য ইংৰাজী বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক তথা তিনিটা সন্তানৰ পিতৃ নগেন কুমাৰে একেখন বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ ছাত্ৰী তথা স্থানীয় কচুবিল নেপালী গাঁও নিবাসী পদুম পুৰীৰ ১৩ বছৰীয়া কন্যা গৰাকীক যোৱা আঠ ডিচেম্বৰৰ পৰা কে'বাবাৰো প্ৰলোভন দি যৌন উৎপীড়ন চলোৱাৰ অভিযোগ উত্থাপিত হৈছে। এই অভিযোগ তুলি আজি নিৰ্যাতনৰ বলি হোৱা ছাত্ৰীগৰাকীৰ পৰিয়ালে অভিযুক্ত শিক্ষকজনৰ বিৰুদ্ধে পানেৰী আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। উক্ত এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে অৱসৰৰ বাবে আৰু মাত্ৰ চাৰি বছৰ থকা হিন্দী শিক্ষক কুমাৰৰ বিৰুদ্ধে পানেৰী থানাত ১০৯/১৭ নম্বৰত গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰাখিছে। আনহাতে, আজি আছুৰ পানেৰী শাখা, আছা আৰু আগছুৰ পানেৰী আঞ্চলিক সমিতিয়ে দোষী শিক্ষকজনক ২৪ ঘণ্টাৰ ভিতৰত গ্ৰেপ্তাৰ কৰি শাস্তি বিহাৰ দাবী জনাই পানেৰী থানাত দাবীপত্ৰ দাখিল কৰিছে।

# মৰিয়নিত পত্নীৰ হাতত প্ৰাণ গ'ল সুৰামত্ত স্বামীৰ

অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ১২ ডিচেম্বৰ ঃ** মৰিয়নি আৰক্ষী থানাৰ অন্তৰ্গত নাগাজাংকা উদয়পুৰত যোৱা নিশা পত্নীৰ হাতত সুৰামত্ত স্বামীৰ মৃত্যু হোৱা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। উদয়পুৰৰ জিতেন তাতী (৪২) নামৰ লোকজনে দীৰ্ঘদিন ধৰি সুৰামত্ত হৈ ঘৰত প্ৰায়ে অশান্তিৰ সৃষ্টি কৰি আহিছে। নিতৌ সংঘটিত এনে অশান্তিত অতিষ্ঠ হৈ পৰিছিল পত্নীৰ লগতে পৰিয়ালৰ লোকসকলে। কালিও পূৰ্বৰ দৰে সুৰামত্ত অৱস্থাত আহি দুই পুত্ৰক মাৰধৰ কৰাৰ লগতে পত্নীকো গালি-গালাজ কৰি আছিল। ভাত ৰান্ধি থকা পত্নী বীণা তাতীয়ে নিতৌ কৰা অত্যাচাৰত হিতাহিত জ্ঞান হেৰুৱাই ওচৰতে থকা এখন দাৰে স্বামী জিতেনৰ ডিঙিত ঘপিয়াই দিয়ে। ফলত লোকজনৰ মৃত্যু হয়। ঘটনাৰ খবৰ পোৱাৰ মাত্ৰকে মৰিয়নিৰ আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ উদ্ধাৰৰ লগতে হত্যাকাৰী মহিলাগৰাকীক আটক কৰে। মৃত তাতী আৰু বীণাৰ দুই পুত্ৰ সন্তানৰ বয়স ক্ৰমে চাৰি আৰু ছয় বুলি প্ৰকাশ।

**MISSING INFORMATION**



The above is photograph of Sri. Jyotish Choudhury (18 years), S/O Late. Suren Choudhuary, Vill-Sonapani, PS-Panery, Dist. Udalguri, who has been missing since 31-10-2017 from his home.
This refers to Panery PS GDE No 141 Dtd 07/11/2017 and this office Man Missing Register Entry No. 43 (B)-162 Dtd, 08/11/2017

**Descriptive Roll of the Missing Person:**

1. Complexion : Fair
2. Age : 18 years
3. Height : 4.3 Feet
4. Built : Slim
5. Language : Assamese
6. Wearing apparel : Shirt & jeans

All out efforts may be made to trace out/recover the above noted missing person at the earliest and result thereof may be intimated to this office at the following helpline numbers for further necessary action: 8134852559/ 9859427622 (Cell phone).

Sd/-
**Superintendent of Police**
**Udalguri, Assam**

Janasanyog/D/11727/17

**ASSAM ELECTRICITY GRID CORPORATION LIMITED**

**NOTICE INVITING E-TENDER**

**IFB No. AEGCL/MD/TECH-649/DIAGTOOLS/A/IFB**
**Bid identification No. AEGCL/MD/PSDF-017/DIAGTOOLS/A**

The Chief General Manager, AEGCL, Bijulee Bhawan, Paltan Bazar, Guwahati-1 invites online bids (E-tender) from eligible bidders for ***"Supply of Diagnostic Tools and Related Services for various Substations of AEGCL under PSDF-A"*** of AEGCL.
Interested parties may visit www.aegcl.co.in and https://assamtenders.gov.in for detail IFB and bid document.
The Managing Director, AEGCL reserves the right to accept or reject any or all tenders without assigning any reasons thereof.

Sd/-
**Chief General Manager**
**Assam Electricity Grid Corporation Ltd.**
**Bijulee Bhawan, Paltanbazar, Guwahati-1**

**SA/2017/79**

*No.DPRD/BTC/(SOPD)/Koj-48/2017/16,* *Dated Kokrajhar the 6th Dec., 2017*

**PRESS NOTICE**

The Director, P&RD, BTC, Kokrajhar invites bids for 2 (two) Nos. of work under Dotma Dev. Block, Dotma under SOPD fund of the year 2017-18, amounting to Rs.80,46,560.00 (Rupees eighty lakh forty-six thousand five hundred sixty) only from the registered contractors of Class-II & Class-I (A, B, & C) category of Assam PWD (Roads)/(Building), BTC.

Details may be seen at website http://assamtenders.gov.in and also at the office of the undersigned during office hours.

Sd/-Director,
Panchayat & Rural Development,
BTC, Kokrajhar

*IPR(BTC)-564/2017*

# শিৱসাগৰ পৌৰসভাৰ প্ৰাক্তন কৰ্মচাৰীৰ মৃত্যু

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ১২ ডিচেম্বৰ ঃ** শিৱসাগৰ নগৰৰ সমীপৰ ঢুলীয়াপাৰা অঞ্চলৰ সৰবৰহী ব্যক্তি তথা শিৱসাগৰ পৌৰসভাৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী ব্ৰজেন বৰা ওৰফে বিহুৱা (৮০)ৰ আজি দিনৰ ভাগত নিজ বাসগৃহত মৃত্যু হয়। দীৰ্ঘদিন অসুস্থ হৈ থকা লোকজনে জীৱন কালত ঢুলীয়াপাৰ বৰনামঘৰ, ৰাস সমাজ আদিৰ লগত ওতঃপ্ৰোতভাৱে জড়িত আছিল। মৃত্যুৰ সময়ত পত্নীসহ তিনি কন্যা আৰু দুই পুত্ৰক এৰি যোৱা লোকজনৰ মৃত্যুত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে।

# বকোত দুৰ্ঘটনাত ব্যৱসায়ীৰ মৃত্যু

আহত এক

অগ্ৰদূত বাৰ্তা

**বকো, ১২ ডিচেম্বৰ ঃ** কামৰূপ জিলাৰ বকো আৰক্ষী থানাৰ অন্তৰ্গত দক্ষিণ বৰপাৰাত যোৱা নিশা সংঘটিত এক পথ দুৰ্ঘটনাত এজন ব্যৱসায়ীৰ মৃত্যু হোৱাৰ লগতে আন এজন আহত হয়। নিশা প্ৰায় ১২ বজাত এখন তীব্ৰবেগী মটৰ চাইকেলে গৃহাভিমুখে গৈ থকাৰ পথত বিনয় সাহা নামৰ ব্যৱসায়ীজনক প্ৰচণ্ড জোৰে খুন্দা মাৰে। ফলত গুৰুতৰভাৱে আহত হয় ব্যৱসায় সাহা। আনহাতে, আহত হয় মটৰ চাইকেলখনৰ আৰোহী ভৰত ছেত্ৰী। পাছত দুয়োজনকে ততাতৈয়াকৈ বকো প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ভৰ্তি কৰা হয় যদিও উন্নত চিকিৎসাৰ বাবে জি এম চি হাস্পতাললৈ প্ৰেৰণ কৰে। তাতে ব্যৱসায়ী সাহাই মৃত্যুক সাবটি লয়। নিহত সাহা বকোৰ দক্ষিণ বৰপাৰাত ভাড়াতীয়াৰূপে আছিল।

# ৰঙিয়াৰ চিকনিবাৰীত দুৰ্ঘটনাত যুৱকৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**ৰঙিয়া, ১২ ডিচেম্বৰ ঃ** ৰঙিয়াৰ সমীপৰ তুলসীবাৰী আৰক্ষী চকীৰ অন্তৰ্গত চিকনিবাৰীত আজি আবেলি এখন মটৰ চাইকেল আৰু এখন যাত্ৰীবাহী টেম্প'ৰ মাজত সংঘটিত মুখামুখি সংঘৰ্ষত এজন লোকৰ মৃত্যু হোৱাৰ লগতে আন এজন আহত হয়। নিহত যুৱকজন মটৰ চাইকেলখনৰ আৰোহী আছিল বুলি প্ৰত্যক্ষদৰ্শীয়ে প্ৰকাশ কৰিছে। তামুলপুৰ দিশৰ পৰা অহা মটৰ চাইকেল আৰোহী যুৱক দুজনৰ এজন গুৰুতৰভাৱে আহত হয়। এই পৰ্যন্ত যুৱক দুজনক চিনাক্ত কৰিব পৰা হোৱা নাই।

AIIDC/1724/2017/37/19993

**E-PROCUREMENT NOTICE/INVITATION OF BID (IFB)**

The Office of the Managing Director, AIIDC, Industrial Estate Bamunimaidam, Guwahati-21, invites Bid from registered contractor (up to date) under Industries & Commerce Department & APWD (Bldg.) (Class II & above) for the following works **ON SINGLE BID SYSTEM** through e-procurement in the portal www.assamtenders.gov.in.

| Sl no. | Name of Works | Estimated Cost in Rs. | Earnest Money/Bid Security | | Cost of Tender document | Period of completion. |
|---|---|---|---|---|---|---|
| | | | General Category | Reserved Category | | |
| 1. | Construction of Chowkidar shed at CFC, Water Hyacinth. Dolbari , Morigaon | 19,81,247/- | Rs.39,700.00 | Rs. 19,850.00 | Rs.1000.00 | 90 days |

The contractor/bidder must be registered with the Electronic Tendering system (ETS) of the Govt. of Assam (**Website: http/assamtenders.gov.in**) The details of bids can be viewed in the portal. www.assamtenders.gov. in from 13/12/2017 to 27/12/2017.

Contractors/Bidders can dowonload document free of cost. Contractors/Bidders have to down load the bidding document from the ETS using their own ID (Digital Signature Certificate). Bid document not procured (downloaded) through the ETS, not using the contractor's own user ID will be considered invalid and summarily rejected. Contractors submitting bids online have to submit copy of the documents of technical bid manually along with Bid Security & Cost of bid document before the expiry of the sequence 'Online Bid Submission' date and time as mentioned in the tender schedule. Bid will be rejected/cancelled if Financial Bid submitted off line/hard copy.

Online bid preparation and last date and time of manual submission of hard copy of cost of Bid Document, Bid Security separately as mentioned above & self signed documents uploaded along with copy of Bid Document from 10.00 hours of 13/12/2017 up to 14.00 hours of 27/12/2017. Date &time of opening of bid is at 15.00 hours of 27/12/2017. The bid will be available through the link http/**assamtenders.gov.in** from 10.00 hours of 13/12/2017 up to 14/00 Hrs of 27/12/2017.

**Managing Director**
**AIIDC**

Janasanyog/CF/2567/17

**RE-TENDER NOTICE NO-1 (CALL NO-2)**
**FOR PACKAGE NO-III & IV/IFB**

(INVITION FOR BIDS)

The Managing Director, Assam Fisheries Development Corporation Ltd. Assam, invites bid on the basis of Administrative Approval (AA) as per Govt. order No. FISH-68/2017/21-A Dt. 23/02/2017 from registered contractors of Class-I (A/B &C) & Class-II category registered under Engineering Department, Govt. Assam for the works detailed in the table below.

The bidders may submit bids for each group of the following works.

| Sl. No. | Name of Work | Package No. | Approximate value of work (Rs. In Lakhs) | Bid security (Rs.) | Cost of Bidding Document (Rs.) | Period of completion |
|---|---|---|---|---|---|---|
| 1 | 2 | | 3 | 4 | 5 | 6 |
| 1 | Balance work for the Development of Uppor Kacharigaon, Naharani Grant & Rajgarh Miri Pathar of Sonitpur Dist under RIDF-XXI under 4 nos. of Low lying Area (Renovation of Poskia Pukhuri, Pota Pukhuri, Sakia Pukhuri & Bali Pukhuri of Darang Dist, Kathalguri Low lying area of Kokrajar Dist, Maorigaon Low lying area of Kokrajar Dist & Uppor Kacharigaon, Naharani Grant & Rajgarh Miri Pathar of Sonitpur Dist) under RIDF-XXI | III | 86.236 (Gr. No- A,C,F,G,H,I) | 2% for general Category & 1% for S.C, S.T, MOBC & OBC | 500.00 for each Group | 3 (three)months from the date of issue of F.W.O. for each Group. |
| 2 | Development of 4 nos. of Low lying Area viz. (i) Rupahi Beel of Sivsagar District (ii) Athubhanga Beel of Morigaon District (iii) Thorko Beel of Goalpara District (iv) Taktara Beel of Kokrajhar District under RIDF-XXI | IV | 43.949 (Gr. No- H.J.L) | | | |

The tender documents can be purchased can be purchased from 11/12/2017 to 18/12/2017 between 11.00 AM to 4:00 PM from the Technical Branch of the office of the undersigned by submitting cost of bid document along with application accompanied by a Demand draft of a scheduled commercial bank drawn in favour of Managing Director, Assam Fisheries Development Corporation Ltd. Assam, and payable at Guwahati for amount as specified above (non-refundable) for each Group of work/packages. Tender Document will be received in the Tender receiving Centre, O/o Managing Director, Assam Fisheries Development Corporation Ltd. And the Last Date of submission of tender is 27/12/2017 at 2.00 PM

Details may be seen in the Notice Board of office of the Managing Director, Assam Fisheries Development Corporation Ltd. (Technical Branch) between hours of 11.00 A.M. and 4.00 P.M.

**Sd/-**
Managing Director
Assam Fisheries Development Corporation Ltd.
VIP Road, Chachal, Guwahati-36

Janasanyog/CF/2546/17

সত্যমেৱ জয়তে

পঞ্চম অসম আন্তঃৰাষ্ট্ৰীয়
**কৃষি-উদ্যান শস্য মেলা-২০১৮**
৫-৮ জানুৱাৰী, ২০১৮
চৌকিডিঙি খেলপথাৰ, ডিব্ৰুগড়

5th Assam International
**AGRI-HORTICULTURAL SHOW-2018**
**5th - 8th January, 2018**
Chowkidingee Playground, Dibrugarh

মুখ্য আকৰ্ষণ ঃ

- আধুনিক কৃষি প্ৰযুক্তিৰ জাতীয় আৰু আন্তৰ্জাতিক উৎকৰ্ষতাৰ প্ৰদৰ্শন।
- কৃষি, উদ্যান শস্য, পশুপালন, জলসিঞ্চন, মীন, দুগ্ধ উন্নয়ন, ৰেচম, বয়ন তথা কৃষি সহযোগী খণ্ডসমূহৰ আকৰ্ষণীয় প্ৰদৰ্শনী।
- কৃষি তথা কৃষি-সহযোগী খণ্ডসমূহৰ ওপৰত ৰাষ্ট্ৰীয় তথা আন্তঃ ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰ আৰু কৰ্মশালা, কৃষক প্ৰশিক্ষণ।
- ক্ৰেতা-বিক্ৰেতাৰ সন্মিলন।
- ফুল, ফলমূল, শাক-পাচলি, বনচাই, পুস্পসজ্জা, ঔষধি উদ্ভিদ আদিৰ ওপৰত প্ৰদৰ্শনী, প্ৰতিযোগিতা আৰু বহুতো.....

আয়োজক
কৃষি বিভাগ আৰু উদ্যান শস্য আৰু খাদ্য সংসাধন বিভাগ, অসম চৰকাৰ।
সহযোগী
অসম কৃষি বিশ্ববিদ্যালয়, ভাৰতীয় বাণিজ্য মহাসংঘ আৰু নাবাৰ্ড

সবিশেষ জানিবলৈ আয়োজক সমিতিৰ কাৰ্যালয়, উদ্যান শস্য আৰু খাদ্য সংসাধন বিভাগ, অসম, খানাপাৰা, গুৱাহাটী-২২ৰ সৈতে যোগাযোগ কৰক।

পঞ্চম অসম আন্তঃৰাষ্ট্ৰীয় কৃষি উদ্যান শস্য মেলা-২০১৮ৰ প্ৰচাৰ উপ-সমিতিৰ দ্বাৰা প্ৰচাৰিত।

Janasanyog/DF/1979/17